# KRISHNA KANTA HANDIQUI STATE OPEN UNIVERSITY

## MA 1st Sem. Examination, 2014

পাঠ্যবিষয় ঃ তৃতীয়

অসমীয়া নাটক

সময় ঃ ৩ ঘণ্টা　　　　　　　　　　　　　　　　　　　　　　　　মুঠ নম্বৰঃ ৮০

১। নিম্নলিখিত প্ৰশ্নসমূহৰ যিকোনো পাঁচটাৰ উত্তৰ লিখক (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

২×৫ = ১০

(ক) শংকৰদেৱে ছখন নাট ৰচনা কৰাৰ আগতে আয়োজন কৰা নাট্যানুষ্ঠানটোৰ বিষয়ে লিখক।

(খ) মাধৱদেৱৰ ৰচিত ঝুমুৰাসমূহৰ নাম উল্লেখ কৰি তেওঁ ৰচনা কৰা 'অৰ্জুন-ভঞ্জন'ক কিয় ঝুমুৰা বুলি কোৱা নহয় লিখক।

(গ) আধুনিক ঐতিহাসিক নাটক ৰচনাৰ উদ্দেশ্য ব্যাখ্যা কৰক।

(ঘ) 'ৰাম-নৱমী নাটক'খনক কিয় প্ৰচাৰধৰ্মী নাটক বুলি কোৱা হয়?

(ঙ) জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা পৌৰাণিক নাটকখনৰ বিষয়বস্তু চমুকৈ উল্লেখ কৰক।

(চ) এবছাৰ্ড নাটকৰ সংলাপৰ বৈশিষ্ট্যৰ বিষয়ে লিখক।

(ছ) 'মহাৰাজা' নাটকখনৰ নামকৰণ সম্পৰ্কে নাট্যকাৰৰ অভিমত কি আছিল?

২। নিম্নলিখিত যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ চমুকৈ লিখক (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১০০ টা শব্দৰ ভিতৰত লিখিব)

৪×৩ = ১২

(ক) শংকৰদেৱৰ 'ৰুক্মিণী হৰণ' নাটৰ বেদনিধি চৰিত্ৰটোৱে দৰ্শক-পাঠকৰ মন আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে নে? ব্যাখ্যা কৰক।

(খ) মাধৱদেৱে 'অৰ্জুন-ভঞ্জন' নাটৰ বিষয়বস্তু ক'ৰ পৰা আহৰণ কৰিছে চমুকৈ লিখক।

(গ) কাল্পনিক সমাজ এখনৰ পটভূমিত 'ৰূপালীম' নাটকৰ কাহিনীভাগ কিদৰে গঢ় লৈ উঠিছে বিচাৰ কৰক।

(ঘ) এবছাৰ্ড নাটকৰ বৈশিষ্ট্যৰ আধাৰত 'আহাৰ' নাটকৰ চৰিত্ৰসমূহ বিশ্লেষণ কৰক।

(ঙ) 'মহাৰাজা' নাটকখনত বুদ্ধিনাৰায়ণ চৰিত্ৰটো নাট্যকাৰে কি কাৰণে অৱতাৰণা কৰিছে— বিচাৰ কৰক।

৩। নিম্নলিখিত যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ২৫০ টা শব্দৰ ভিতৰত লিখিব)

৬×৩ = ১৮

(ক) অংকীয়া নাটৰ সূত্ৰধাৰৰ দ্বাৰা সম্পাদিত বিভিন্ন কাৰ্যসমূহ ব্যাখ্যা কৰক।

(খ) 'ৰুক্মিণী হৰণ' নাটত ৰূপায়িত কৃষ্ণ চৰিত্ৰৰ যোগেদি মানৱীয় আৰু ঐশ্বৰিক মহত্ত্ব কিদৰে প্ৰকাশিত হৈছে আলোচনা কৰক।

(গ) আধুনিক অসমীয়া নাটকৰ শুভাৰম্ভ কেনেকৈ হৈছিল সেই বিষয়ে এটি টোকা লিখক।

(ঘ) সংস্কৃত নাটক আৰু অংকীয়া নাটৰ প্ৰভাৱ 'ৰাম-নৱমী নাটক'ত কিদৰে পৰিছে? আলোচনা কৰক।

(ঙ) এবছাৰ্ড নাটকৰ বিষয়বস্তু উপস্থাপনৰ ভিত্তিত 'আহাৰ' নাটকৰ কাহিনীৰ বৈশিষ্ট্য বিশ্লেষণ কৰক।

৪। নিম্নলিখিত যিকোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৪০০ টা শব্দৰ ভিতৰত লিখিব)

১০×৪ = ৪০

(ক) শংকৰদেৱৰ 'ৰুক্মিণী হৰণ' নাটত ৰচকৰ মৌলিক প্ৰতিভাৰ স্বাক্ষৰ কিদৰে ফুটি উঠিছে বুজাই লিখক।

(খ) 'অৰ্জুন-ভঞ্জন' নাটৰ যশোদা আৰু ৰোহিণী চৰিত্ৰ দুটিৰ মাজেৰে নাৰী চৰিত্ৰৰ কেনেধৰণৰ বৈশিষ্ট্য প্ৰতিভাত হৈছে বিশ্লেষণ কৰক।

(গ) আধুনিক অসমীয়া সামাজিক নাটকৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰক।

(ঘ) "*ৰূপালীম* নাটকখনত আদৰ্শ চৰিত্ৰ দাঙি ধৰাতকৈ চৰিত্ৰৰ বিচিত্ৰতা দেখুৱাবলৈহে প্ৰয়াস কৰা হৈছে।" — বিবৃতিটোৰ যুক্তি-যুক্ততা প্ৰতিপন্ন কৰক।

(ঙ) 'মহাৰাজা' নাটকত সংলাপৰ ভূমিকা সম্পৰ্কে আলোচনা কৰক।

(চ) 'লোককলা'ৰ আধাৰত লিখা নাটক হিচাপে 'মহাৰাজা' নাটকখনৰ বিচাৰ-বিশ্লেষণ কৰক।

** **